# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

---

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ২৫ হাজাৰৰো অধিক মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। ইয়াৰ ভিতৰত গ্ৰামাঞ্চলৰ ১৯ হাজাৰ ৬২৮ গৰাকী আৰু নগৰাঞ্চলৰ ৬ হাজাৰ ৯৫৭ গৰাকী মহিলা আছে। এই উপলক্ষে নগাঁও চহৰৰ নেহৰুবালিত এখন জনসভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰথম পৰ্যায়ত প্ৰদান কৰা এই মূলধনে ৰাজ্যখনত মহিলা নেতৃত্বাধীন বিকাশৰ পথ প্ৰশস্ত কৰিব।

**বাইট (চি এম)**

এই অভিযানৰ জৰিয়তে কৃষি, পশুপালন, হস্ততাঁত আৰু হস্তশিল্পকে প্ৰমুখ্য কৰি বিভিন্ন ক্ষেত্ৰত মহিলা উদ্যোগীৰ বিকাশৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি সুদৃঢ় হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ বীৰাংগনা মূলাগাভৰু আৰু ছহিদ কনকলতাৰ দেশপ্ৰেমে প্ৰত্যেককে অনুপ্ৰাণিত কৰাৰ দৰে অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ ক্ষেত্ৰত বৰ্তমানৰ নাৰী শক্তিও শক্তিশালী উদাহৰণ হ'ব পাৰে বুলি উল্লেখ কৰে। আজিৰ অনুষ্ঠানত ২৭ হাজাৰৰো অধিক লোকে সমস্বৰে ড০ ভূপেন হাজৰিকাৰ **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতটি পৰিৱেশন কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি জিলাখনত ২৫ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পও উদ্বোধন কৰে। তেওঁ নগাঁও আৰৰ্তভৱন চাৰিআলিৰ পৰা পানীগাঁও চাৰিআলিলৈ ৫ কোটি ২০ লাখ টকা ব্যয়েৰে নিৰ্মিত গৌৰৱ পথছোৱা মুকলি কৰে। ইয়াৰ পাছত তেওঁ ৮ কোটি ৭৩ লাখৰো অধিক ধন ব্যয় সাপেক্ষ কেইবামহলীয়া নতুন বজাৰগৃহ উদ্বোধন কৰে। সকলো ধৰণৰ সুবিধাযুক্ত এই চাৰিমহলীয়া বজাৰগৃহই গ্ৰাহকক পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিৱেশত বজাৰ কৰাৰ অভিজ্ঞতা প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে আজি নগাঁৱৰ মহাত্মা গান্ধী পথত ৭ কোটি ১৩ লাখৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা অত্যাধুনিক ছুইমিং পুল উদ্বোধন কৰে। তেওঁ লগতে জিলাখনৰ মতিৰাম বৰা পথত নৱনিৰ্মিত স্বাস্থ্য সেৱাৰ যুটিয়া সঞ্চালকৰ নতুন কাৰ্যালয় ভৱনো মুকলি কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সমাগত অসম বিধানসভাৰ অধিৱেশনত ভালেমান গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰা হ'ব বুলি উল্লেখ কৰে। তেওঁ কয়, যে সত্ৰৰ সংৰক্ষণ, বহুবিবাহৰ বিৰুদ্ধে আইন, চাহ বাগিচাৰ শ্ৰমিকক ভূমিপট্টা প্ৰদান আদিকে ধৰি বহু গুৰুত্বপূৰ্ণ বিষয় সমাগত বিধানসভাৰ অধিৱেশনত আলোচনা কৰা হ'ব।

০০০০০

অসম চৰকাৰে ৰাজ্যৰ ২২৬ টা সমষ্টিক সামৰি ৰূপায়ণ কৰা  শুশ্ৰূষা সেতু শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ কাৰ্যসূচীৰ অধীনত আজিও  বিভিন্ন জিলাত শিবিৰ মুকলি কৰা হয়। ৰাজ্যসভাৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ৰামেশ্বৰ তেলীয়ে আজি তিনিচুকীয়া  জিলাৰ নৱ জাগৃতি উচ্চ ইংৰাজী বিদ্যালয়ত এই স্বাস্থ্য শিবিৰ মুকলি কৰে। এই শিবিৰত শিশুৰ পৰা ১৮ বছৰ বয়সৰ ব্যক্তিৰ ৫০ টাতকৈ অধিক ৰোগৰ পৰীক্ষা কৰা হয়। পৰীক্ষাৰ ফলাফলৰ ভিত্তিক শিশুসকলক উন্নত চিকিৎসাৰ বাবে সমীপৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰা হ'ব। আজিৰ শিবিৰত ২৬ শৰো অধিক শিশুৱে অংশগ্ৰহণ কৰে। ইয়াৰে ৩০ গৰাকী ৰোগীক উন্নত স্বাস্থ্য সেৱাৰ বাবে ডিব্ৰুগড়, গুৱাহাটী আৰু

তিনিচুকীয়াৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। শিবিৰত শিশু ৰোগ, হৃদৰোগ, প্ৰসুতি আৰু স্ত্ৰীৰোগকে ধৰি ২০ গৰাকী বিশেষজ্ঞ চিকিৎসকে চিকিৎসা আগবঢ়ায়।

ইপিনে, ধেমাজী বিধানসভা সমষ্টিত অহা ২৪ অক্টোবৰত শুশ্ৰুষা সেতু কাৰ্যসূচীৰ অধীনত বৃহৎ স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হৈছে। ধেমাজী জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ জগত মোহনে এই সন্দৰ্ভত অনুষ্ঠিত এখন সংবাদমেলৰ জৰিয়তে স্বাস্থ্য শিবিৰৰ প্ৰস্তুতি সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। বাটঘৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হ'বলগীয়া এই স্বাস্থ্য শিবিৰত ১৮ বছৰ বয়সৰ তলৰ কিশোৰ-কিশোৰীক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ লগতে বিশেষজ্ঞ চিকিৎসকে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়াব বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তত শেহতীয়াকৈ ধান কটাক লৈ সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতি সম্প্ৰতি শাম কাটিছে। আজি পাহাৰীয়া জিলাখনৰ খান্দুলিস্থিত সীমান্ত পহৰা চকীত তাপাত আৰু লাপাংআপ গাঁৱৰ গাঁওবুঢ়াৰ মাজত কেইবাটাও বিষয়ত চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি যোৱা ৯ অক্টোবৰত ধান কটাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘৰ্ষত প্ৰাণ হেৰুওৱা অৰিয়েল টিমুঙৰ হত্যাকাৰীৰ সন্ধান উলিয়াই অসম আৰক্ষীক চমজাই দিব লাগিব। তদুপৰি তাপাত আৰু লাপাংআপৰ লোকসকলে সীমা বিষয়ক কোনোধৰণৰ আলোচনা কৰিব নোৱাৰিব, এই ক্ষেত্ৰত সংশ্লিষ্ট চৰকাৰী বিভাগেহে সিদ্ধান্ত গ্ৰহণ কৰিব। সীমান্ত অঞ্চলত শান্তি স্থাপনৰ বাবে সমূহীয়া গছপুলি ৰোপণ, পশুধনৰ মুক্ত বিচৰণৰ ক্ষেত্ৰতো সিদ্ধান্ত লোৱা হয়। একেদৰে তাপাত গাঁৱত আজিৰে পৰা শস্য চপোৱাৰ কাৰ্য সমাপন কৰা হ'ব বুলি চুক্তিত উল্লেখ কৰা হৈছে।

ooooo

পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত গোলাঘাট সমন্বয় ক্ষেত্ৰত আজিৰে পৰা গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহৰ আয়োজন কৰা হৈছে। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে এই সমাৰোহ উদ্বোধন কৰে। বিত্তমন্ত্ৰী অজন্তা নেওগে বন্তি প্ৰজ্বলন কৰাৰ লগতে কৃষিমন্ত্ৰী অতুল বৰাই জুবিন গাৰ্গ সোঁৱৰণী মূল মঞ্চ কৰে। শ্ৰীবৰাই গ্ৰন্থৰ প্ৰতি নৱপ্ৰজন্মৰ ধাউতি বৃদ্ধি পাইছে আৰু এয়া ইতিবাচক বাৰ্তা বুলি উল্লেখ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৬০ খনতকৈও অধিক গ্ৰন্থ বিপণীয়ে এই গ্ৰন্থমেলাত অংশ লৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত গোলাঘাট জিলাৰ বহুকেইখন বিদ্যালয়ৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে জুবিন গাৰ্গৰ **মায়াবিনী** শীৰ্ষক গীতটি পৰিৱেশন কৰাৰ লগতে সাহিত্য সভাৰ আৰম্ভণি গীত **চিৰ চেনেহী মোৰ ভাষা জননী** পৰিৱেশন কৰে।

ooooo

ডিব্ৰুগড় জিলাৰ মৰাণ ফটিকাচোৱা অভয়পুৰীয়া মজলীয়া বিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। আজি পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণেৰে সোণালী জয়ন্তীৰ শুভাৰম্ভ কৰা হয়। স্থানীয় বিধায়ক তথা মন্ত্ৰী বিমল বৰাই বিদ্যালয়খনৰ নৱনিৰ্মিত স্থায়ী বেৰ উদ্বোধন কৰে। আজি দুপৰীয়াৰ ভাগত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন সমাৰোহ অনুষ্ঠিত হয়। সন্ধিয়া সৰ্পদংশন বিষয়ক সজাগতা সভাত বিশেষজ্ঞ চিকিৎসক ডা০ সুৰজিত গিৰি সমল ব্যক্তি হিচাপে উপস্থিত থাকে। কাইলৈ সাংস্কৃতিক শোভাযাত্ৰা, বিশেষ সম্বৰ্ধনা অনুষ্ঠান আৰু মুকলি সভাৰ আয়োজন কৰা হৈছে।

ooooo

যোৰহাট মালৌআলিৰ নিবাসী তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা ইংৰাজী বিভাগৰ অধ্যাপিকা দিতিমণি বৰাৰ আজি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৬ বছৰ।

ooooo

সমাপ্ত